# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

REFERENCE,
( NOT FOR ISSUE )
...ADING ONLY INSIDE LIBRARY

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

## VOLUME IV

## NO. 22

The 3rd April 1984

सत्यमेव जयते

1988

Printed at the Sandeep Printers, Dispur, Guwahati—6

DEBATES OF THE

# ASSAM, LEGISLATIVE ASSEMBLY, 1984

( BUDGET SESSION )

VOLUME IV

NO. 22

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

The 3rd April, 1984

CONTENTS

| | | Pages |
|---|---|---|
| 1. | Questions | .... .... 1 |
| 2. | Calling Attention | .... .... 17 |
| 3. | Private Members Resolution | .... .... 19 |
| 4. | Government Resolution | .... .... 27 |
| 5· | Adjournment | .... .... 31 |

# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

**Volume IV**

**No. 22**

The 3rd April, 1984

Proceedings of the Fourth Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

PRESENT

The House met in the Assembly Chamber, Dispur, Guwahati on Tuesday, the 3rd April, 1984, with the Hon. Speaker, in the Chair, 16 (Sixteen) Ministers, 5 (Five) Ministers of State, 4 (four) Deputy Ministers 1 (one) Parliamentary Secretary and 56 (Fifty Six) Members.

# QUESTIONS AND ANSWERS

## STARRED QUESTIONS

(To which oral replies were given)

Date : 3rd April, 1984

### বিঃ কৃষি পথাৰত পানী যোগান

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

* ২১২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কমলপুৰ উন্নয়ন খণ্ডৰ এলেকাৰ হাবেৰিকুৰা আণ্টা গাৱঁত বহুৱা গভীৰনলী-নাদেৰে কৃষি পথাৰত পানী যোগান দিয়া হৈছেনে ?

(খ) যদি হৈছে পানী যোগান ধৰাৰ বাবে যিবোৰ পকী নলা সজা হৈছিল সেইবোৰ কিয় আধৰুৱা হৈ থাকিল জনাবনে ?

(গ) ভবিষ্যতত নলাবোৰ সম্পূৰ্ণ কৰি খেতি পথাৰত পানী যোগান ধৰাৰ পৰিকল্পনা আছেনে ?

(ঘ) যদি আছে, কেতিয়াকৈ হ'ব জনাবনে ?

শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২১২। (ক)— হাবেৰিকুৰা গাঁৱৰ গভীৰ নলী-নাদেৰে ১৯৭৯ চনলৈকে স্ব-নিৰ্গত (Artesian Well) পানীৰে ৰাইজৰ চাহিদা পূৰণ কৰা হৈছিল। ১৯৮০ চনত হোৱা খৰাং বতৰৰ বাবে স্বনিৰ্গত পানী বন্ধ হৈ যোৱাত ৰাইজৰ চাহিদালৈ চাই ১০ অশ্বশক্তি সম্পন্ন পাম্পেৰে পানী দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু একে বছৰতে ৩০ নবেম্বৰ (৩০-১১-৮০) তাৰিখত পাম্প চুৰি হোৱাৰ পৰা কেৱল খাৰিফ বতৰত স্বনিগত পানীৰেই ৰাইজে খেতি কৰি আছে।

(খ)—স্থানীয় ৰাইজৰ আপত্তিৰ বাবে পকী নলা সজাব কাম সম্পূৰ্ণ কৰিব পৰা হোৱা নাই।

(গ)—হয় আছে। যিহেতু নলীনাদটো অতি পুৰণি, ইয়াৰ স্থায়িত্ব পৰীক্ষা কৰিহে এই কাম হাতত লোৱা হব।

(ঘ)—ওপৰৰ "গ" ত কোৱা পৰীক্ষাৰ পাচত আৰু সম্যক প্ৰাক্‌কলনৰ

অনুমোদনৰ পাচত ।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো এই যিটো গভীৰ নলী-নাদ আছে ইয়াৰ যিটো আৰ্টি জেন অৰ্থাত আপোনা আপুনি পানী ওলাই থাকে সেই পানীৰ পৰা কিমান মাটিৰ খেতি হৈ আছিল আৰু ৰাইজে কিমান মাটিত খেতি কৰিছিল জনাবনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—সেইটো ১৯৭১ চনত যিটো ইনষ্টল কৰিছিল। মোৰ হাতত পোৱা ৰেকৰ্ড মতে সেইখিনিয়েই আছে আৰু সেই ৰেকৰ্ডত এই বিলাক তথ্য পাতি নাই ।

শ্ৰীমথুৰা ডেকা—এটা গভীৰ নলী-নাদ, অনবৰতে পানী ওলাই থাকে বা আছে আৰু সেই পানীখিনি কিয় ঠিকমতে ব্যৱহাৰ কৰা হোৱা নাই ? আৰু তাত নলা খান্দি, নাদ দি পানীখিনি বন্ধ কৰিব পাৰে তেনে অৱস্থাত তাত পাম্পৰ প্ৰয়োজন নহয় । সামান্যভাৱে যত্ন ললেই জনসাধাৰণ উপকৃত হব বুলি জানেনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—১৯৮০ চনৰ খৰাং বতৰত এইবিলাক আৰ্টি জেন ওৱেলত বেচি পৰিমাণে পানী ওলোৱাটো বন্ধ হৈছিল আৰু সেইকাৰণে একেলগে খাৰিফশস্যৰ কাৰণে পানী দিব পৰা সম্ভৱ হৈছিল ।

বিঃ সুলভ মুল্যৰ দোকান

শ্ৰীকাৰ্ত্তিক সৰকাৰে সুধিছে ঃ

*২১৩। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ২ বছৰৰ ভিতৰত গুৱাহাটীত সুলভ মূল্যৰ দোকান কমোৱা কথাটো সচানে ?

(খ) যদি সচাঁ হয়, তাৰ কাৰণ কি ?

(গ) যোৱা বছৰ গুৱাহাটীত কিছুমান প্ৰাৰ্থীক সুলভ মূল্যৰ দোকানৰ বাবে বাছনি কৰা স্বত্বেও আজিলৈকে তেওঁলোকৰ নিযুক্তি নিদিয়াটো সচাঁনে আৰু যদি সচাঁ হয়, তাৰ কাৰণ কি ?

শ্ৰীতিলক গগৈ (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২১৩। (ক)—সচাঁ ।

(খ)—১৯৮২ চনৰ অসম ৰাজহুৱা সামগ্ৰী বিতৰণ আদেশ ভঙ্গ কৰাৰ হেতুকে অনুজ্ঞা পত্ৰ সমূহ নাকচ কৰা হয় ।

(গ)—সচাঁ নহয় । বাছনি তালিকাৰ পৰা ডুজনক নিযুক্তি দিয়া হৈছিল । তাবে এজনে অসম ৰাজহুৱা সামগ্ৰী বিতৰণ আদেশ ভঙ্গ কৰা হেতুকে অনুজ্ঞা পত্ৰ নাকচ কৰা হয় । বাছনি কৰা প্ৰাৰ্থীৰ তালিকাৰ পৰা আৰু ৫ (পাচ) জনক অনুজ্ঞা পত্ৰ দিবৰ কাৰণে ঠিক কৰা হৈছে ।

শ্ৰীকাৰ্ত্তিক চৰকাৰ—অধ্যক্ষ মহোদয় মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে গুৱাহাটীত সুলভ মূল্যৰ দোকান কিমানখন আছে ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ কৰি প্ৰশ্ন কৰিলে ভাল হয় ।

শ্ৰীমথুৰা ডেকা—এই যে সুলভ মূল্যৰ দোকানবিলাক নাকচ কৰা হৈছে চৰকাৰী আইন ভঙ্গ কৰাৰ কাৰণে কি কি কাৰণত নাকচ কৰা হৈছেনে যোগান বিষয়াৰ লগত মনোমালিন্য হোৱাৰ কাৰণে ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী)—কাৰণ যোগান বিভাগৰ যিবিলাক ফেয়াৰ প্ৰাইচ চপ আছে তেওঁলোকক কেনেকৈ লাইচেঞ্চ লব লাগে, কেনেকৈ বস্তু মজুত ৰাখিব লাগে, কেনেকৈ বস্তু ডিচপোজ কৰিব লাগে ইত্যাদি নিয়ম নীতি সমূহ চৰকাৰৰ তৰফৰ পৰা বান্ধি দিয়া হৈছে । এই নিয়ম নীতি বোৰ ভঙ্গ কৰিলে তাৰ ওপৰত ব্যৱস্থা লোৱা হয় ।

শ্ৰীমথুৰা ডেকা—ভঙ্গ যদি কৰিলে তেনেহলে সেই দোকানীজনক গ্ৰেপ্তাৰ কৰা হৈছে নেকি ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী)—আইন মতে তেওঁলোকৰ ষ্টকত থকা বস্তু সমূহৰ যদি মিল নাথাকে বা যিমান মজুত থাকিব লাগে সিমানখিনি নাথাকে বা প্ৰাইচ লিষ্ট মতে বস্তুৰ দামৰ তাৰতম্য ঘটায় ইত্যাদি কাৰণত যিবিলাক নিয়ম নীতি বিক্ৰী কৰাৰ কাৰণে ব্যৱস্থা দিয়া আছে সেই নিয়ম নীতি ভঙ্গ কৰিলে বা মানি নচলিলে নিয়ম অনুসৰি তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱা হয় ।

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয়, সুলভ মূল্যৰ যি সকল দোকানী আছে তেওঁলোকে প্ৰায় ছাত্ৰ সন্থা আৰু গণসংগ্ৰাম পৰিষদৰ আহ্বানত আহ্বান কৰা

বন্ধ, হৰতাল আদিত দোকানবোৰ বন্ধ ৰখাটো মন্ত্ৰীমহোদয়ে জানেনে ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী)—তেনেকুৱা কোনো ইনফৰমেচন মোৰ ওচৰলৈ অহা নাই ।

শ্ৰীমহম্মদ আলী—যদি আমাৰ কোনো কোনো দোকানীয়ে চৰকাৰৰ পৰা অনুজ্ঞাপত্ৰ লৈ ছাত্ৰসন্থা আৰু গণসংগ্ৰাম পৰিষদৰ আহ্বানক্ৰমে বন্ধ আদি পালন কৰাৰ কাৰণে দোকান সমূহ বন্ধ ৰাখে তেনেহলে তেওঁলোকৰ ওপৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী)—তেনেকুৱা ইনফৰমেচন পালে নিশ্চয় ব্যৱস্থা লম ।

শ্ৰীমথুৰা ডেকা– বন্ধ, হৰতাল আদি পালম কৰাৰ কথা আপুনি শুনাও নাই নেকি ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী)—মই ভালকৈ বুজা নাই ।

শ্ৰীমথুৰা ডেকা— যিটো প্ৰশ্ন উঠিছে মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা লম বুলি কৈছে । এই যি হৰতাল বা বন্ধ ছাত্ৰসন্থা আৰু গণসংগ্ৰাম পৰিষদে আহ্বান দিয়ে তেতিয়া সেই সুলভ মূল্যৰ দোকানীৰ এগেইনষ্টে সেই বন্ধ সমৰ্থ কৰি তেওঁলোকে দোকান বন্ধ কৰা কথাটো মন্ত্ৰীমহোদয়ে শুনাও নাই নেকি ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী)—শুনা আৰু ৰিপোৰ্ট পোৱাটো দুটা বেলেগ কথা । ৰিপোৰ্ট এটাৰ ওপৰত একচন লোৱাৰ সুবিধা হয় ।

শ্ৰীমোহন বসুমতাৰী—মন্ত্ৰীমহোদয়ে শুনাৰ পাচত সেই ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয় এনেকুৱা অসম বন্ধ আজি বহু বছৰেই হৈ গৈছে । আগতে সুলভ মূল্যৰ দোকানী সকলৰ যিখিনি সুৰক্ষাৰ প্ৰয়োজন সেইখিনি দিব পৰা হোৱা নাছিল কিন্তু আমাৰ চৰকাৰে দায়িত্ব ভাৰ লোৱাৰ পাচৰ পৰাই যাতে সুলভ মূল্যৰ দোকান সমূহ নিয়মিতভাৱে খোলা ৰাখিব পৰা যায় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে । তেওঁলোকৰ যিখিনি অসুবিধা সেই অসুবিধাখিনি দূৰ কৰি যিখিনি সুবিধা সেই সুবিধাখিনিৰ কাৰণে তেওঁলোকক সুৰক্ষা দিব পাৰিলে সুলভ মূল্যৰ দোকান সমূহ খোলা ৰখাত তেওঁলোকৰ সহায় হব । কিন্তু বন্ধ, হৰতাল আদিত লাহে লাহে মানুহৰ আস্থা কমিছে আৰু চৰকাৰৰ প্ৰতি যথেষ্ট আস্থা ৰাখিছে ।

ডঃ তাৰিণীমোহন বৰুৱা— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২ টা বছৰত সুলভ মূল্যৰ দোকান কমোৱা হৈছে । মই এইটো কথা জানিব খোজো যে কি কাৰণত গুৱাহাটীত সুলভ মূল্যৰ দোকান কমাইছে ? তাৰ কাৰণটো কি ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী) —সুলভ মূল্যৰ দোকানী বিলাকৰ এটা নৰ্ম আছে । এনেয়ে বা ৰাফলি ১৫০০ জনসংখ্যাৰ ওপৰত এখন ফেয়াৰ প্ৰাইচ চপ দিয়া হয় । লাইচেঞ্চ আদিৰ লগতে যিখিনি নিয়ম নীতি চৰকাৰৰ ফালৰ পৰা দিয়া হয় সেই সকলো বিলাক নিয়ম নীতি তেওঁলোকে মানি চলিব লাগিব । কিন্তু কেতিয়াবা মানুহৰ ডিমাণ্ডৰ কাৰণেও নতুনকৈ সুলভ মূল্যৰ দোকান দিবলগীয়া হয় । আকৌ ফেমিলি আইডেণ্টিটি কাৰ্ডৰ ওপৰত নিৰ্ভৰ কৰিও দিয়া হয় । মুঠতে গ্ৰাহকে যাতে সহজতে বস্তু পাব পাৰে তাৰ সুবিধাবোৰৰ প্ৰতি লক্ষ্য ৰাখি আৰু গ্ৰাহকৰ অসুবিধা বিলাক দূৰ কৰাৰ কাৰণে এনেকুৱা বিলাক ব্যৱস্থা লবলগীয়া হয় ।

শ্ৰীকাৰ্তিক চৰকাৰ—মাননীয় মন্ত্ৰীমহোদয়ে কৈছে যে সুলভ মূল্যৰ দোকান কমোৱা হৈছে । আৰু ১৫০০ পপুলেচনৰ ওপৰত এখন সুলভ মূল্যৰ দোকান হব পাৰে । মই মন্ত্ৰীমহোদয়ৰ পৰা জানিব বিচাৰিছো যে গুৱাহাটী মহানগৰীত কিমান পপুলেচন আছে আৰু কি ভিত্তিত এইটো কৰা হৈছে ।

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী)—পপুলেচনৰ ফিগাৰটো মোৰ হাতত নাই । মহানগৰীত ১৫০০ বা তাতকৈ এশ দুশ বেচি জনসংখ্যাৰ ওপৰত ভিত্তি কৰি সুলভ মূল্যৰ দোকানৰ লাইচেঞ্চ দিয়াৰ ক্ষমতা ডি, চি ৰ হাতত আছে আৰু তেখেতে সেইমতে টাৰ্গেটৰ ব্যৱস্থা কৰে ।

বিঃ কৰ্ত্তব্যৰত হোমগাৰ্ডৰ মৃত্যুত পৰিয়ালক দিয়া চৰকাৰী সাহায্য

শ্ৰীনুৰুল হুচেইনে সুধিছে ঃ

*২১৪ । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৫।৪।৭৮ তাৰিখে নগাঁওৰ ৪ নং ডেৰা পথাৰ ফৰেষ্ট ৰিজাৰ্ভত পহৰাৰ কৰ্ত্তব্যৰত অৱস্থাত ডকাইতৰ হাতত মৃত্যু হোৱা হোম গাৰ্ড আব্দুল কুদ্দুছৰ পৰিয়ালক চৰকাৰী সাহায্য দিয়াৰ কিবা ব্যৱস্থা কৰিছে নেকি ?

(খ) যদি কৰিছে, এই সাহায্য কেতিয়া পাব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২১৪। (ক),(খ) —কৰ্ত্তব্যৰত অৱস্থাত মৃত্যু হোৱা সকলো গৃহৰক্ষীৰ পৰিয়ালক সাহায্য দিয়াৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

শ্ৰীনুৰুল হুচেইন— এই সম্পৰ্কত ১৯৭৮ চনত জনতাৰ দিনত মুখ্যমন্ত্ৰী শ্ৰীগোলাপ বৰবৰাই প্ৰতিশ্ৰুতি দিয়াৰ পিচত আজিলৈকে কিয় পোৱা নাই জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) – প্ৰতিশ্ৰুতি দিব পাৰে । আইনত নাই কৰ পৰা দিব ।

শ্ৰীচিৰাজউদ্দিন— অসমত এনেকুৱা ঘটনা কিমান হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—১৯৫৮ চনৰ পৰা এতিয়ালৈকে ৫৬ জন গৃহ-ৰক্ষী বাহিনীৰ লোক কৰ্ম্মৰত অৱস্থাত মৃত্যু মুখত পৰিছে ।

Re : Nalbari and Mangaldoi Town

Shri Hem Prakash Narayan asked :

*215. Will the Minister, Municipal Administration Department be pleased to state—

(a) Whether it is a fact that in Assam two towns namely Nalbari and Mangaldoi are taken up for making scavenger free towns ?

(b) If so, what are the Schemes taken up and what is the amount of money spent for the purposes scheme-wise ?

(c) Is there any programme of M. A. Department to make all the towns and cities Scavengers free ?

(d) If so, whether the Scheduled Caste people engaged in unclean occupations will be employed elsewhere in othere in other occupations and completely rehabilitated ?

Shri A.M. Mazumdar (Minister, M. A.) replied :

215. (a) – Yes.

(b) – The Scheme intends to convert all the existing dry latrincs into low cost Water Seal Latrines.

An amount of Rs. 3.94 lakhs for Nalbari and Rs. 4.79 lakhs for Mangaldoi have been spent up to January, 1984.

(c) – Proposals for taking up Schemes in 9 other towns have been submitted to the Govt. of India for approval.

(d) – Yes. On completion of these Schemes the Scavengers will be liberated and will be engaged in alternative occupation.

শ্ৰীমথুৰা ডেকা—টকা দিয়া হৈছে, ময়লা চাফা হৈছেনে নাই ?

শ্ৰীএ, এম, মজুমদাৰ (মন্ত্ৰী)—যি লেট্ৰিণ কৰিব বিচাৰিছো সেইমতে ময়লা বাহিৰত নাথাকে । গতিকে চাফা কৰাৰ প্ৰশ্ন নাথাকে ।

বিঃ চাব্ৰা এণ্টাৰপ্ৰাইজ

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে ঃ

* ২১৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) গুৱাহাটীৰ ফাঁচী বজাৰৰ "মহাবীৰ মাৰ্কেটত" কাগজৰ ব্যৱসায় কৰি থকা "চাব্ৰা এণ্টাৰপ্ৰাইজ" নামৰ প্ৰতিষ্ঠানটোৱে ১৯৮০-৮১, ১৯৮১-৮২, ১৯৮২-৮৩ আৰু বৰ্ত্তমান বছৰত কিমান টকাৰ চেলচ টেক্‌স আদায় দিছে ?

(খ) কাগজ বিক্ৰী কৰা হিচাব পাতি ঠিক মতে ৰাখিছেনে ?

(গ) উক্ত বছৰ কেইটাত এই প্ৰতিষ্ঠানটোৱে কিমান টকাৰ কাগজৰ আদান প্ৰদান কৰিছিল জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰীয়ে) যে উত্তৰ দিছে ঃ

২১৭। (ক)—প্ৰতিষ্ঠানটোৱে নিম্ন লিখিত হিচাবে কৰ আদায় দিছে ।

| বছৰ | টকা |
|---|---|
| ১। ১৯৮০-৮১ | ৭৮,৮৫১·৫৮ |
| ২ ১৯৮১-৮২ | ২,০৯,৩৪৫·৩৫ |
| ৩ ।১৯৮২-৮৩ | ৮৮,৪২২·৮০ |
| চলিত বছৰত চেলচ টেক্স জমা | ২৬,৫০০·০০ |

(খ)—হয় ।

(গ)—প্ৰতিষ্ঠানটোৱে নিম্ন উল্লেখিত টকাৰ কাগজৰ আদান-প্ৰদান কৰিছিল ।

| বছৰ | মুঠ বিক্ৰী | মুঠ ক্ৰয় (টকা) |
|---|---|---|
| ১৯৮০-৮১ | ৪৫,৬২, ১৪৬·৯২ | ৪০,১০,০৩৬·৩৯ |
| ১৯৮১-৮২ | ৫৯,৬৭,৪৩৬·৩৩ | ৫৫,৫৪,৭৬৫·৭৮ |
| ১৯৮২-৮৩ | ৬২,২৭,৭৭২·৭৬ | ৬১,৯৩,৩১৭·৮৯ |

শ্ৰীমোহন বসুমতাৰী—মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে যে এই চাত্ৰা এণ্টাৰ-প্ৰাইজে কোন কোন পেপাৰ মিলৰ এজেন্সি লৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—সেইটো কব নোৱাৰিম । প্ৰশ্নটো আছিল টেক্সৰ সংক্ৰান্তত । গতিকে সেই সংক্ৰান্তত প্ৰশ্নৰ উত্তৰ দিব পাৰিম ।

শ্ৰীবৰকট উল্লা—এই এণ্টাৰপ্ৰাইজৰ মালিক কোন ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মেচাৰ্চ চাত্ৰা এণ্টাৰপ্ৰাইজ বুলি আছে, নামটো নাই ।

শ্ৰীমোহন বসুমতাৰী—চাত্ৰা এণ্টাৰপ্ৰাইজৰ খেলি-মেলিৰ কাৰণে কোনো এটা বছৰত যোগান বিভাগৰ বিষয়াই এই এণ্টাৰপ্ৰাইজ ৰেইদ কৰিছিল, এইটো সচানে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—সেইটো খবৰ মোৰ হাতত নাই । মোলৈ অহা ৰিপোৰ্ট মতে যি কেই বছৰৰ টেক্স দিব লগা আছিল, সেইখিনি নিয়ম মতে দিছে ।

Re: Gram Sevak Under Narayanpur Block

Shri Borgoram Deuri asked :

* 218. Will the Minister, Agriculture be pleased to state—

(a) Whether it is a fact that one Gram Sevak under Narayanpur Block in Bihpuria constituency who was involved in murder of 3 Muslim people at Narayanpur last year and was detained under jail custody for about 28 days has not been placed under suspension as per rule ?

(b) If so, why ?

Shri Golok Rajbongshi (Minister, Agriculture) replied :

218. (a) & (b)—One Village Level Extention Worker was arrested in connection with a murder case registered by Bihpuria Police Station. On recipt of information of his arrest he was placed under suspension on 14th March, 1984 pending drawal of departmental proceedings.

শ্ৰীলেখন লাহন ইমান দিনে তেওঁক কিয় কামৰ পৰা বৰ্খাস্ত কৰা হোৱা নাছিল—এই বিষয়ে মন্ত্ৰীমহোদয়ে জনাবনে ?

Shri Golak Rajbanshi (Minister):—I have no informetion

শ্ৰীলেখন লাহন—সেই সম্পৰ্কে সেই সমষ্টিৰ বিধায়কে সেই গ্ৰাম সেৱক জনৰ লগত জৰীত যিটো কেচ আছিল সেই সম্পৰ্কে এটা কেচ দিছিল, এটা কেচৰ কিবা ব্যৱস্থা লৈছিলনে ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী)—কেচটো পুলিচক দিয়া হৈছিল কিন্তু তেওঁলোকে কোনো ৰিপৰ্ট দাখিল কৰা নাছিল ।

শ্ৰীলেখন লাহন—এই গ্ৰাম সেৱকজন যিহেতু ২৮ দিন জেইল হাজোতত আছিল আৰু তেওঁ কৰ্তৃত্ববিহীনভাৱে অফিচৰ পৰা অনুপস্থিত থকাৰ ক্ষেত্ৰত তেওঁৰ ওপৰত কিবা ব্যৱস্থা লোৱাৰ কাৰণে চিন্তা কৰিছে নেকি ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী)—২৮ দিন হাজোজোতত থকাতো নহয়, তেওঁ ২৮-৫-৮৩ ৰ পৰা ৩-৬-৮৩ তাৰিখলৈহে হাজোতত আছিল, গতিকে তেওঁৰ ওপৰত দিপাৰ্ট-মেণ্টেল প্ৰচিডিং কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে ।

Shri MAHAMMAD ALI asked:

* 219. Will the Minister, Power be pleased to sta e—

(a) Whether it is a fact that the S.D.O. of Electricity Sub-Division Damra has observed the black out progra-mme of AASU and ASGP on the date of opening Cer-mony of Naranarayana Setu ?

(b) If so, the steps teken by Government in this regard ?

Shri A. M. MAZUMDAR (Minister, Power) replied :

219 (a) - No.

(b) — Does not raise.

শ্ৰীমহম্মদ আলি ঃ ডুধনৈ থানাৰ অন্তৰ্গত ডামৰা ইলেক্ট্ৰিক ডিভিজন এচ, ডি, অ, জনৰ এলেকাত গোটেই নিশা লাইট বন্ধ থকাৰ কাৰণে প্ৰধান মন্ত্ৰীৰ অনুষ্ঠানত যোগদান কৰা লোকক মাৰপিট কৰা হৈছিল। গোটেই ডুধনৈ অঞ্চলটো অন্ধকাৰ হৈ থকা কথাটো জানেনে?

শ্ৰীজয়নাল আবেদিন ঃ সেই সময়ত কি কাৰণে পাৱাৰ ফেইলাৰ হৈছিল?

শ্ৰীএ, এন, মজুমদাৰ (মন্ত্ৰী) ঃ পাৱাৰ ফেইলাৰ বহু কাৰণত হব পাৰে। যান্ত্ৰিক বিজুতিও আছে।

শ্ৰীমথুৰা ডেকা ঃ গণ সংগ্ৰাম পৰিষদৰ ব্লেক আউটৰ লগত তেখেত জৰিত আছিল নেকি?

বিঃ প্ৰাইভেট প্ৰাথমিক বিদ্যালয়ক চৰকাৰী মঞ্জুৰী

শ্ৰীমথুৰা ডেকাই শুধিছে ঃ

* ২২০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমান অসমত কিমানখন প্ৰাইভেট প্ৰাথমিক বিদ্যালয়ক চৰকাৰী মঞ্জুৰী দিবলৈ তালিকাভূক্ত কৰিছে?

(খ) এই তালিকাভূক্ত বিদ্যালয় সমুহ আগৰ চৰকাৰৰ দিনত সংলিষ্ট শিক্ষা বোৰ্ড সমূহে অনুমোদম দি থৈছিল নে?

(গ) এই তালিকাভূক্ত বিদ্যালয় সমূহে চৰকাৰী মঞ্জুৰী পালে বৰ্ত্তমান বিদ্যালয় সমুহত শিক্ষকতা কৰি থকা অৰ্হতা সম্পন্ন দুইজনকৈ শিক্ষকক নিয়োগ কৰাৰ ব্যৱস্থা কৰিবনে?

(ঘ) এনে দুজনীয়া শিক্ষকক এনে মঞ্জুৰী প্ৰাপ্ত বিদ্যালয়ত ১৯৮৩ চনত মঞ্জুৰী দিয়া বিদ্যালয় সমূহতো নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীমুকুত শৰ্ম্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২২০। (ক) ১৪৯৭ খন।

(খ) হয়, থৈছিল।

(গ) আৰু (ঘ)—পৰ্য্যায়ক্ৰমে প্ৰয়োজন অনুসাৰে একজনীয়া শিক্ষক থকা স্কুলত দুজনকৈ শিক্ষক নিয়োগ কৰাৰ কথা চৰকাৰে বিবেচনা কৰি আছে। এই মৰ্মে ২০০০ টা পদ মঞ্জুৰ কৰা হৈছে।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, পৰ্য্যায়ক্ৰমে আৰু বিবেচনাৰে এই কথাবিলাক চাব মই এইটো বুজি নাপালো।

শ্ৰীমুকুত শৰ্ম্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, গোটেই অসমতে এজনীয়া শিক্ষকৰ স্কুল ৯ হাজাৰ মান আছে। আমি একেলগে সেই স্কুল বিলাক দুজনীয়া শিক্ষকৰ কৰিব নোৱাৰো। সেই কাৰণে পৰ্য্যায়ক্ৰমে এজনীয়া শিক্ষকৰ স্কুলত দুজনীয়া কৰিবৰ বাবে বিবেচনা কৰিম।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, আগতে এজনীয়া শিক্ষকৰ স্কুল ৭ হাজাৰ খন আছিল বুলি যোৱা বাজেট অধিবেশনত মন্ত্ৰী মহোদয়ে কৈছিল যে এতিয়া দহ হাজাৰ বাঢ়ি গ'ল নেকি ?

শ্ৰীমুকুত শৰ্ম্মা (মন্ত্ৰী)—এজনীয়া শিক্ষকৰ স্কুল ১৪৯৭ খন ওলাইছে। ১৯৭৮ চনতে যিবিলাক ভেনচাৰ স্কুল বাদ পৰি গৈছিল সেইবিলাক চৰকাৰে লোৱাৰ ব্যৱস্থা কৰিছে। এইবিলাক স্কুল ১৯৮০ চনতে পুংখানুপুংখৰূপে চাই পঠিয়াইছিল আৰু তাৰ পৰাই বিবেচনা কৰি চাম।

শ্ৰীচিৰাজ উদ্দিন—অধ্যক্ষ মহোদয়; গোৱালপাৰা জিলাৰ চৰ অঞ্চলত থকা কিছুমান স্কুল ১৯৭৮ চনৰ পৰাই বাদ পৰি আছে। বৰ্ডে এটা বিজলিউচন লৈছিল যে, এই স্কুল বিলাকৰ নামবিলাক লিষ্ট কৰি চৰকাৰলৈ পঠিওৱা হওক। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, মন্ত্ৰী মহোদয়ে সেইবিলাক স্কুলৰ নাম বিবেচনা কৰি চাবনে ?

শ্ৰীমুকুত শৰ্ম্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই স্কুল বিলাকৰ নাম ১৯৮০ চনৰ পৰাই বৰ্ডে পাছ কৰি দিয়া। নতুনকৈ বৰ্ডে পঠিয়াইছে যদিও মোৰ হাতত পৰা নাই। পাবিলে বিবেচনা কৰি চাম।

শ্ৰীহাচানউদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, ২ হাজাৰ ষ্টাইপেনদাৰি শিক্ষক লৈ মাজে মাজে নিযুক্তি দিছে, এটা চাইদৰ পৰা আৰম্ভ কৰিবনে ?

শ্ৰীমুকুত শৰ্ম্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এজনীয়া শিক্ষকৰ স্কুলত দুজন শিক্ষক দিবৰ বাবে পৰ্য্যায়ক্ৰমে বিবেচনা কৰা হব।

Shri Altaf Hussain Mazumdar—Mr. Speaker Sir, some bonafide schools were left out. This was reported to the Govt, and probably it is available in the file. Will the

Minister be pleased to look into this ? If he does not find, will he get the report from the subdivision on the schools which were left out ?

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে ঃ

* ২২১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰৰ তথ্য আৰু প্ৰচাৰ বিভাগৰ সঞ্চালক গৰাকীক কি ভিত্তিত নিয়োগ কৰা হৈছে ?

(খ) সঞ্চালক নিযুক্তিৰ বিভাগীয় কিবা নীতি আছে নেকি ?

(গ) সঞ্চালক গৰাকীয়ে কেতিয়া কি পদত প্ৰথমে চাকৰিত যোগদান কৰে ?

(ঘ) সঞ্চালক গৰাকীৰ চাকৰিটো Regularise কৰিবৰ কাৰণে A.P.S.C. যোগে কিবা ব্যৱস্থা চৰকাৰে কৰিছেনেকি ?

(ঙ) যদি কৰিছে, কেনে ধৰণৰ ব্যৱস্থা কৰিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২২১। ক)—অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক গৰাকীক চাকৰীৰ Seniority আৰু যোগ্যতাৰ ভিত্তিত অসম লোক সেৱা আয়োগৰ Regulation 3(f)ত নিযুক্তি দিয়া হৈছে।

(খ)– হয়, আছে।

(গ)—সঞ্চালকজনে প্ৰথমে মুখ্যমন্ত্ৰীৰ সচিবালয়ত ১৯৭২ চনত Special Officer (Political Affairs) পদত যোগদান কৰে।

(ঘ)—সঞ্চালক গৰাকীৰ চাকৰিটো Regularise কৰাৰ কাৰণে অসম লোক সেৱা আয়োগৰ লগত যোগাযোগ কৰা হৈছে।

(ঙ) – যিহেতু এই নিযুক্তি —জেষ্ঠতা আৰু যোগ্যতাৰ ভিত্তিত কৰিব লাগে বুলি চৰকাৰে আগৰ পৰা চিন্তা কৰি আছে, সেই পৰিপ্ৰেক্ষিতত Regulation 3(f)ৰ সলনি Regulation 4(d)ত পদোন্নতি হিচাপে Regularise কৰিবলৈ চৰকাৰে বিবেচনা কৰি আছে।

শ্ৰীমোহন বসুমতাৰী ঃ— অধ্যক্ষ মহোদয়, সঞ্চালক নিযুক্তিৰ ক্ষেত্ৰত কি কি নীতি আছে সেই নীতিবোৰ কবনেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, সাধাৰণতে এই বিভাগৰ ডাইৰেক্টৰ সকলেই পায়। এইদৰেই এই বিভাগ চলি আছে আৰু সেই ব্যৱস্থামতেই কৰা হয়।

শ্ৰীমোহন বসুমতাৰী ঃ—অধ্যক্ষ মহোদয়, এই সঞ্চালক গৰাকী নিযুক্তি দিয়াৰ ক্ষেত্ৰত এ, পি, এচ, চি॰ থ্ৰি,, এফত নিযুক্তি দিবলৈ বিচৰা হৈছে। তেখেতৰ যোগ্যতা কি লাগিব এই বিষয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : –অধ্যক্ষ মহোদয়, চৰকাৰে ৰেগুলেচন ফৰ, দিত দিব লগা হৈছে কাৰণ সেই বিভাগত তেখেতেই চিনিয়ৰ সেইকাৰণে দিয়া হৈছে।

শ্ৰীমোহন বসুমতাৰী ঃ—অধ্যক্ষ মহোদয়, এই সঞ্চালক গৰাকীক যি পদত নিযুক্তি দিয়া হৈছে যে আন কোনো যোগ্য ব্যক্তি নাইনেকি যে, যি কাৰণত এই ব্যক্তিজনক ৰেগুলেচন ফৰ, দিত নিযুক্তি দিবলৈ বিচৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, চৰকাৰে তেওঁকেই যোগ্য বুলি বিবেচনা কৰে। কাৰণ তেওঁ চিনিয়ৰ কাৰণে তেওঁক দিয়া হৈছে।

বি ঃ ফৰেষ্টাৰ আৰু ফৰেষ্ট গাৰ্ডৰ নিযুক্তি

শ্ৰীমহম্মদ আলিয়ে সুধিছে ঃ

*২২২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোৱালপাৰা ফৰেষ্ট ডিভিজনত কিমানজন ফৰেষ্টাৰ আৰু ফৰেষ্ট গাৰ্ড ১৯৮৩ চনত নিয়োগ কৰা হল ?

(খ) তাৰ ভিতৰত গোৱালপাৰা জিলাৰ কেইজন ?

(গ) অন্যান্য জিলাৰ কেইজন ?

শ্ৰীধনীৰাম ৰংপী (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২২২। (ক)—১৯৮৩ চনত গোৱালপাৰা ফৰেষ্ট ডিভিজনত ৩ জন ফৰেষ্টাৰ আৰু ১৫ জন ফৰেষ্ট গাৰ্ড নিয়োগ কৰা হৈছে।

(খ)—১৫ জন।

(গ)—৩ জন।

শ্ৰীচিৰাজ উদ্দিন—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, গোৱালপাৰাত ফৰেষ্ট বিভাগত ১৫ জন নিযুক্তি দিয়া হৈছে। এই নিযুক্তি পত্ৰ দিয়াৰ ক্ষেত্ৰত বিভাগীয় এদভাৰটাইজ কৰা হৈছিলনে নাই ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—এতিয়া মোৰ হাতত তথ্য নাই।

শ্ৰীচিৰাজ উদ্দিন—অধ্যক্ষ মহোদয়, সাধাৰণতে দেখা যায় যে ফৰেষ্ট বিভাগৰ নিয়োগৰ ক্ষেত্ৰত কোনোবাৰে এদভাৰটাইজমেণ্ট কৰা নাই। ভৱিষ্যতে যিকোনো

নিযুক্তিৰ ক্ষেত্ৰত কৰ্তৃপক্ষৰ দ্বাৰা নিয়মিত আৰু নীতিগতভাৱে এদভাৰটাইজমেণ্ট দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এইটো বিবেচনা কৰি চাম।

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, ৩ জন ফৰেষ্টাৰ আৰু ১৫ জন ফৰেষ্ট গাৰ্ড নিযুক্তি দিয়া হৈছে। ফৰেষ্টাৰ তিনিজনৰ কেইজন গোৱালপাৰাৰ আৰু ফৰেষ্ট গাৰ্ড ১৫ জনৰ ভিতৰত কেইজন গোৱালপাৰাৰ ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, ফৰেষ্ট গাৰ্ড আছে, ফৰেষ্টাৰ নাই।

শ্ৰীহৰেন তালুকদাৰ—অধ্যক্ষ মহোদয়, ফৰেষ্টাৰ আৰু ফৰেষ্ট গাৰ্ডৰ শিক্ষাগত অৰ্হতা কিমান কৰা হৈছিল ? চৰকাৰৰ এটা নীতি আছে সেইমতে এমপ্লইমেণ্ট এক্সচেঞ্জৰ পৰা যি কোনো বিভাগতে নিযুক্তি দিব পাৰে। এই কথাটো মানি লৈ এই বিভাগটো নিয়োগ কৰিবনে ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, আগতে ফৰেষ্ট গাৰ্ডৰ বাবে মেট্ৰিক পাছ লাগিছিল। এতিয়া বি,এ, পাছলৈকে ফৰেষ্ট গাৰ্ড দিয়া হৈছে। সেই অনুসৰি ফৰেষ্টাৰো দিয়া হৈছে। অৱশ্যে এমপ্লইমেণ্ট এক্সচেঞ্জৰ পৰা অনা হৈছেনে নাই, এইটো উপযুক্ত অৰ্থৰিটিয়ে নিশ্চয় চাইছে।

শ্ৰীতাৰিণী মোহন বৰুৱা—অধ্যক্ষ মহোদয়, ফৰেষ্টাৰ আৰু ফৰেষ্ট গাৰ্ডৰ নিযুক্তি কোনে দিয়ে আৰু কি ভিত্তিত দিয়ে ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—সাধাৰণতে এই বিলাকৰ নিযুক্তি কনজাৰভেটৰ বা চিফ কনজাৰভেটৰ অব ফৰেষ্টে দিয়ে।

শ্ৰীহৰেন তালুকদাৰ—অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন ক্লিয়েৰ হোৱা নাই। এই নিযুক্তি বিলাক নীতিগত হিচাবে হৈছেনে নাই ? আৰু এম্পলইমেণ্ট এক্সচেঞ্জৰ পৰা নাম আনি নিয়োগৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীধনিৰাম ৰংপী (মন্ত্ৰী)অধ্যক্ষ মহোদয়. এইটো নিশ্চয় অৰ্থৰিটিয়ে চাইছে। নিয়ম অমান্য কৰি নিশ্চয় নিযুক্তি দিয়া নাই।

শ্ৰীজয়নাল আবেদিন—অধ্যক্ষ মহোদয়, চৰকাৰৰ বিনানুমতিত এনে টকা খৰছ কৰিব পাৰিনেকি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী)—তেনেকুৱা টকা খৰচ কৰিব নোৱাৰে। কিন্তু এই ক্ষেত্ৰত বিশেষ পৰিস্থিতিত খৰচ কৰা বুলি ডি, চি ৰ পৰা ৰিপৰ্ট আহিছে। এই বিষয়ে আমি বিশেষ তদন্ত কৰি আছোঁ।

শ্ৰীজয়নাল আবেদিন—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনেকি যে এই

টকাটো খৰচ কৰাৰ কাৰণে চৰকাৰৰ পৰা অনুমতি লোৱা হৈছিল নেকি ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী)– অধ্যক্ষ মহোদয়, এই টকাটো খৰচ কৰাৰ কাৰণে প্ৰাইৰৰ অনুমোদনৰ দৰকাৰ নাই, অদিট কৰাৰ সময়ত এইটো ধৰা পৰে ।

Shri Benoy Kumar Basumatary : Mr. Speaker Sir, in reply to 225 (a), the Hon'ble Minister had affirmed that it is so. Sir, during the last matriculation examination and also the P. U. Examination period, these power lines are interrupted and students cannot study. Will the Government take steps for regular supply of power, particularly in the evening so that students are not made to suffer in their studies ?

Shri Abdul Muhib Mazumdar (Minister) : Mr. Speaker Sir, as far as interruption of power supply is concerned, there is no specific instances that supply interrupted during the examination period only. Sir, supply is interrupted in other times also. But, Sir, whenever there is examination and social events, we have given general direction that all efforts should be made to maintain supply of power.

Shri Benoy kumar Basumatary : Sir, it is found that this Panery Sub station is the real culprit and as earlier stated in the House that these people, first of all cut all the power lines. Whenever there is a call given by AASU Will the Hon'ble Minister enquire into it and take necessary steps.

Shri Abdul Muhib Mazumdar (Minister) : Sir, definitely I will look into it.

Shri Barkat Ulla : Mr. Speaker Sir, may I know from

the Hon'ble Member whether there is a proposal to establish an electrical Sub-division at Hajo itself ?

Shri Abdul Muhib Mazumdar (Minister) : Mr. Speaker Sir, there was a question raised by the Hon'ble Member as regards establishment of an Electrical Sub-division either at kalitakuchi or at Hajo itself. This matter was discussed with the Hon'ble Member himself along with official of the Department. The establishment of electrical Subdivision will depend minly on availability of land and fund

Shri Barkat Ulla : Is it a fact that there was a debate among officers in the discussion ?

Shri Abdul Muhib Mazumdar (Minister) : This fact has come to my notice just now.

Shri Barkat Ulla : Will the Hon'ble Minister look into it ?

Shri Abdul Muhib Mazumdar (Minister) : Yes, Sir.

শ্ৰীমথুৰা ডেকা – অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা এই কথা জানিব পাৰোনে কি যে শিৱসাগৰ জিলাৰ উপায়ুক্তই বজাৰ চলাই ৰখাৰ কাৰণে শিৱসাগৰ পৌৰ সভাক যি ৰায় দিছে তাৰ ওপৰত কাৰ্য্যবাহী বিষয়াই ৩১।৩।৮৪ তাৰিখে বজাৰ বন্ধ কৰাৰ কাৰণে কোৱা সত্যনে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, প্ৰশ্নটো মই ভালদৰে বুজা নাই। দুটা পাৰ্টিয়ে চৰকাৰৰ ওচৰত আপীল কৰিছে আৰু এইটো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনেকি যে শিৱসাগৰ জিলাৰ এই বজাৰখন যিজন লোকে ডাক দিছিল তেওঁ নেপালে আৰু সেইজনে আপত্তি কৰাত জিলাৰ উপায়ুক্তই যি ৰায় দিলে আৰু সেইজনকে এই বজাৰখন চলাই যাবলৈ ৰায় দিয়া কথাটো সচাঁনে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই বজাৰখন নেকস্ট মেনক দিয়া হৈছিল, কিন্তু প্ৰথমজনে যেতিয়া আপিল কৰিলে তাৰ পিচত

ডি, চিয়ে ৰায় দিলে, কিন্তু তেওঁ চৰকাৰৰ ওচৰত আপিল কৰিলে, এতিয়া এই বিষয়টো চৰকাৰৰ ওচৰত আছে ।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, শিৱসাগৰ জিলাৰ উপায়ুক্তই যি ৰায় দিলে তাৰ বিৰুদ্ধে পৌৰ নিগমৰ কাৰ্য্যবাহী বিষয়াই পৌৰ নিগমৰ চেক্ৰেটৰীলৈ টেলিগ্ৰাম কৰা কথাটো সচানে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই তথ্যটো মোৰ হাতত নাই ।

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, শেহতীয়াকৈ যিসকল দুৰ্গত লোক পশ্চিমবঙ্গৰ পৰা আহিল, জনামতে তেওঁলোকক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই, এই কথা সচাঁনে ?

শ্ৰীসাধন ৰঞ্জন চৰকাৰ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰত দিয়াই হৈছে ।

Mr. Speaker—Let us go to the next item. Item No.2 Shri Mathura Deka to call attention.

শ্ৰীমথুৰা ডেকা—'জনমত' কাকতত প্ৰকাশিত 'উচ্চপদস্থ চৰকাৰী বিষয়াই ককায়েকৰ চকু ফুটুৱাৰ অভিযোগ' শীৰ্ষক বাতৰিটোৰ প্ৰতি মুখ্যমন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰে ।

শ্ৰী .তেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)

মাননীয় অধ্যক্ষ মহোদয়,

যোৱা ৫ মাৰ্চ্চ তাৰিখৰ 'জনমত' কাকতত প্ৰকাশিত "উচ্চপদস্থ চৰকাৰী বিষয়াই নিজৰ ককায়েকৰ চকু কুটোৱাৰ অভিযোগ" শীৰ্ষক বাতৰি সন্দৰ্ভত ৰাজহুৱা গুৰুত্ব থকা বিষয় এটাত বিধান সভাৰ Procedure and cond ict of Business ৰ ৫৪ নং বিধিমতে মাননীয় সদস্য শ্ৰীমথুৰা ডেকাই উত্থাপন কৰা দৃষ্টি আকৰ্ষণকাৰী প্ৰস্তাৱৰ ক্ষেত্ৰত প্ৰকৃত অৱস্থাৰ বিষয়ে সদনত অৱগত কৰাবলৈ বিছাৰিছোঁ ।

১৫।৫।৮৩ তাৰিখে শ্ৰীচন্দন মল মাহেশ্ৰীৰ পৰিবাৰ শ্ৰীমতী দীপা মাহেশ্ৰীয়ে দেৰগাওঁ আৰক্ষী থানাৰ 'অ' চিক এই বুলি এখন এজাহাৰ দিয়ে যে ১৫।৫।৮৩

তাৰিখে পুৱা ৭ মান বজাত তেওঁৰ সঙ্গী শ্ৰীচন্দনমল মাহেন্দ্ৰীয়ে বয়-বস্তু বিক্ৰী কৰি থাকোতে শ্ৰীতিলক চান্দ মাহেন্দ্ৰীয়ে সপৰিয়ালে তেওঁৰ ঘৰলৈ আহে। শ্ৰীতিলক চান্দ মাহেন্দ্ৰীৰ পৰিবাৰ শ্ৰীমতী মনোহাৰী দেৱীয়ে নিজৰ লৰা দুটাৰে লগলাগি তেওঁক ধৰি ভিতৰৰ বাৰাণ্ডালৈ নি মুখত কাপোৰ ভৰাই দিয়ে। এটা লৰাই তেওঁক সন্মুখৰ পিনৰ পৰা ধৰি আছিল। পত্নী আৰু লৰাৰে লগলাগি শ্ৰীতিলক চান্দ মাহেন্দ্ৰীয়ে তেওঁৰ স্বামী শ্ৰীচন্দনমল মাহেন্দ্ৰীৰ হাত ভৰি বান্ধি পেলায়। শ্ৰীতিলক চান্দ মাহেন্দ্ৰীয়ে তেওঁৰ চকু খুলি ধৰি হাতত থকা এবিধ বিষাক্ত বস্তু ঢালি দিয়ে আৰু লগে লগে তেওঁৰ স্বামীয়ে চকুৰে নেদেখা হয়। তাৰ পিচত কেওজন আহি তেওঁকো মজিয়াত পেলাই লয়। শ্ৰীতিলক চান্দ মাহেন্দ্ৰীয়ে তেওঁৰ বুকুৰ ওপৰত বহি তেওঁৰ চকুতো বিষ ঢালিবলৈ যত্ন কৰে কিন্তু তেওঁ মূৰ জোকোৰাত বিষখিনি পূৰাকৈ ঢালিব নোৱাৰিলে আৰু সোঁ চকুত অকণমান পৰাত সেই চকুত আঘাত পায়। সেই সময়তে স্থানীয় কিছুলোকে দুৱাৰ ভাঙি সোমাইহি আৰু তেওঁলোকক লৈ যায়।

এজাহাৰ পোৱাৰ পিচত দেবগাওঁ থানাৰ অ'চিয়ে I.P.C ৪৪৮।৩৪২। ৩২৬।৩৪ ধাৰাত ১১১।৮৩ নং মোকৰ্দ্দমা পঞ্জীভূত কৰি এচ.আই. শ্ৰীএচ. দেৱক তদন্ত কৰিবলৈ দিয়ে। তদন্তকাৰী বিষয়াই অভিযুক্ত কেওজনকে গ্ৰেপ্তাৰ কৰে। তেওঁলোক হ'ল,

১। শ্ৰীমতীমনোহাৰী দেৱী (বয়স ৪০ বছৰ) স্বামী শ্ৰীতিলক চান্দ মাহেন্দ্ৰী।
২। শ্ৰীবুলেশ্বৰ মাহেন্দ্ৰী (বয়স ৮ বছৰ) পিতা শ্ৰীতিলক চান্দ মাহেন্দ্ৰী।
৩। শ্ৰীমতীউৰ্মিলা মাহেন্দ্ৰী (বয়স ৭বছৰ) পিতা শ্ৰীতিলক চান্দ মাহেন্দ্ৰী।
৪। শ্ৰীদিলীপ মাহেন্দ্ৰী (বয়স ৬ বছৰ) পিতা শ্ৰীতিলক চান্দ মাহেন্দ্ৰী।
৫। শ্ৰীউমেশ মাহেন্দ্ৰী (বয়স ১৮ বছৰ) পিতা শ্ৰীতিলক চান্দ মাহেন্দ্ৰী।
৬। শ্ৰীঅশোক কুমাৰ মাহেন্দ্ৰী (বয়স ১৫ বছৰ) পিতা শ্ৰীতিলক চান্দ মাহেন্দ্ৰী
৭। শ্ৰীবাবুলাল মাহেন্দ্ৰী (বয়স ১৬ বছৰ) পিতা শ্ৰীতিলক চান্দ মাহেন্দ্ৰী।
শ্ৰীতিলক চান্দ মাহেন্দ্ৰী (বয়স ৫০ বছৰ)

শ্ৰীতিলক চান্দ মাহেন্দ্ৰীৰ বাহিৰে বাকী কেওজনকে ১৫।৫।৮৩ তাৰিখে গ্ৰেপ্তাৰ কৰা হয়। শ্ৰীতিলক চান্দ মাহেন্দ্ৰীক গ্ৰেপ্তাৰ কৰা হয় ৩।৭।৮৩ তাৰিখে।

গোচৰৰ তদন্তৰ পিচত (১) শ্ৰীতিলক চান্দ মাহেন্দ্ৰী (২) শ্ৰীমতীমনোহাৰী দেৱী (৩)শ্ৰীউমেশ মাহেন্দ্ৰী (৪) শ্ৰীঅশোক কুমাৰ মাহেন্দ্ৰী (৫) শ্ৰবাবুলাল মাহেন্দ্ৰী

(৬) শ্ৰীমতীউৰ্মিলা মাহেন্দ্ৰী আৰু (৭) শ্ৰীবুলেশ্বৰ মাহেন্দ্ৰীৰ বিৰুদ্ধে I.P.C.ৰ ১৪৭।১৪৮।১৪৯।৩৪২।৩২৬।৩২৪ ধাৰামতে ৫।৩।৮৪ তাৰিখৰ ২৬ নং চাৰ্জশ্বীট দিয়া হয়। শ্ৰীদিলীপ মাহেন্দ্ৰী ছবছৰীয়া নাবালক হোৱা বাবে আৰু তেওঁৰ বোধ-শক্তি স্বাভাৱিক নোহোৱাৰ কাৰণে তেওঁৰ বিৰুদ্ধে চাৰ্জশ্বীট দিয়া হোৱা নাই। তেওঁক এৰি দিয়াৰ বাবে আবেদনো কৰা হৈছে।

F.I.R. ত তেতিয়াৰ কামৰূপৰ অতিৰিক্ত উপায়ুক্ত শ্ৰীওংকাৰমল মাহেন্দ্ৰী জড়িত থকাৰ কোনো উল্লেখ নাই। ঘটনাটোৰ অনুসন্ধানৰ সময়তো শ্ৰীওংকাৰ-মল মাহেন্দ্ৰীৰ বিৰুদ্ধে কোনো প্ৰমাণ পোৱা নগল।

শ্ৰীচন্দনমল মাহেন্দ্ৰী আৰু অন্যান্য সকলে অসম চৰকাৰ আৰু অন্যান্যসকলৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত ৰিট পিটিচন (ক্ৰিমিনেল কেচ নং ৩২০২, ১৯৮৩ চন) দাখিল কৰাটো সচাঁ।

মাননীয় উচ্চতম ন্যায়ালয়ে ১।৩।৮৪ তাৰিখে তাত উপস্থিত থাকিবলৈ আৰু আবেদনকাৰী বা তেওঁৰ পত্নীয়ে F.I.R. কে ধৰি গোচৰ সংক্ৰান্ত সকলো নথি-পত্ৰ দাখিল কৰিবলৈ A.I.G. (২) ক নিৰ্দ্দেশ দিয়ে। সেইমতে তেও ২।৩।৮৪ তাৰিখে উচ্চতম ন্যায়ালয়ত হাজিৰ হয়গৈ আৰু গোচৰ সংক্ৰান্ত নথিপত্ৰ উপ-স্থাপন কৰে। তেওঁ দাখিল কৰা Affidavit ৰ ওপৰত দুয়োপক্ষৰ উকীলৰ বক্তব্য শুনাৰ পিচত মাননীয় উচ্চতম ন্যায়ালয়ে ৰিট পিটিচনখন ২৬-৩-৮৪ তাৰিখলৈ স্থগিত কৰে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশমতে ন্যায়ালয়ে বিচৰা নথি-পত্ৰ উচ্চতম ন্যায়ালয়ত থকা ৰাজ্যৰ Councel জনলৈ পঠিওৱা হৈছে। এই গোচৰ সংক্ৰান্তত উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশৰ বাবে এতিয়া বাটছোৱা হৈছে।

দেখা যায়যে এই বিষয় সম্পৰ্কত পুলিচৰ ফালৰ পৰা সকলো ব্যৱস্থা আন্তৰিকতা সহকাৰে লোৱা হৈছে আৰু এই গোচৰ সন্দৰ্ভত ৫-৩-৮৪ তাৰি-খত চাৰ্জশ্বীট দিয়া হৈছে।

## Private Members Resolution

Shri Hemen Das :—Sir I beg to move that in view of the inadequate facilities of higher education a

view of high percentage of illiteracy and with a view to promote education in the state, this House do now recommend to the State Government to withdraw immediately the condition of creating a Reserve Fund for starting new School and Colleges in Assam.

আমি সকলোৱে জানো যে আমাৰ দেশখনে ১৯৪৭ চনৰ ১৫ আগষ্টলৈ ইংৰাজ শাসনৰ তলত আছিল আৰু ইংৰাজে আমাৰ দেশৰ লৰা-ছোৱালী বিলাকৰ শিক্ষা হোৱাতো নিবিচাৰিছিল আৰু সেয়েহে জিলা আৰু মহকুমাত একোখনকৈ হাইস্কুল পাতি তেওঁলোকৰ কৰ্ত্তব্য সমাপন কৰিছিল। এনেকি যি সকল ছাত্ৰই স্বাধীনতাৰ আন্দোলনত অংশ গ্ৰহন কৰিছিল তেওঁলোকক স্কুলত পঢ়াৰ পৰাও বঞ্চিত কৰিছিল। গতিকেই তেনে এটা পৰিস্থিতিত পৰি ৰাইজে নিজা বৰীয়াকৈ একোখন স্কুল পাতিবলৈ আৰম্ভ কৰিলে। সোণাৰাম আৰু কামৰূপ একাডেমী স্কুল তেনে এটা পৰিবেশতে সৃষ্টি হয়।

অধ্যক্ষ মহোদয়, যেতিয়া ৰাইজে নিজে শিক্ষানুষ্ঠান খুলি শিক্ষিত হোৱাৰ পথত আগুৱাব খুজিছিল তেতিয়া ইংৰাজ সাম্ৰাজ্যবাদী চৰকাৰৰ ফালৰ পৰা শিক্ষানুষ্ঠান খোলাৰ ওপৰত কৰ লগাইছিল। কৰ বুলি কৰা নাছিল কিন্তু কৈছিল যে শিক্ষানুষ্ঠান খুলিবলৈ হলে সংৰক্ষিত পুজিৰ প্ৰয়োজন। ইয়াৰ মানে আছিল যাতে গৰীব জনসাধাৰণে শিক্ষিত হোৱাত আগুৱাই যাব নোৱাৰে। কিন্তু তথাপিও ৰাইজৰ গতিৰোধ কৰা সম্ভৱপৰ নহল। দেশ স্বাধীন হোৱাৰ আগতে আমাৰ ইয়াত তেনে ধৰণে সাহায্যপ্ৰাপ্ত হাইস্কুল স্থাপিত হৈছিল। দেশ স্বাধীন হোৱাৰ পিচতো আমাৰ সকলো মানুহকে শিক্ষিত হোৱাৰ অধিকাৰ দিয়া হৈছে কিন্তু আচৰিত ঘটনা যে স্বাধীন হোৱাৰ পিচতো সেই ব্যৱস্থা বাদ পৰা নাই। তাৰ পৰিবৰ্ত্তে সংৰক্ষিত পুজিৰ হাৰ বছৰে বছৰে বৃদ্ধিহে হৈছে। এই যে টকা জমা দিয়াৰ হাৰ বৃদ্ধি হৈ থাকে আৰু তাক স্কুল বা কলেজৰ ব্যৱহাৰৰ কাৰণে আনিব নোৱাৰে এই টকা যিনি ৰাইজৰ পৰা সংগ্ৰহ কৰিবলগীয়া টকা। স্কুল খুলিবৰ কাৰণেও নিৰ্দিষ্ট পৰিমাণৰ টকা চৰকাৰী স্বীকৃতি আদায়ৰ কাৰণে জমা ৰাখিব লাগে। আগতে পাচ হাজাৰ জমা ৰখা হৈছিল কিন্তু ১৯৬২ চনৰ পৰা নেশ্বন্যাল ডিফেন্স

ফাণ্ডত জমা ৰাখিব লাগে । এই ফাণ্ডত টকা জমা ৰাখিবলগীয়া হোৱা কাৰণে বহুত ঠাইত গৰীব মানুহে স্বীকৃতিৰ কাৰণে বহুত বছৰ অপেক্ষা কৰিব লগীয়া হয় । গাওঁ অঞ্চলৰ মানুহৰ আয় কম । উদ্যোগী ডেকা লৰাই স্কুল আদি অনুষ্ঠান পাতি সেই টকা ক'ৰ পৰা জোগাৰ কৰিব । এতিয়া চাকৰি নোপোৱা শিক্ষিত লৰাই গাওঁ অঞ্চলত স্কুল কলেজ প্ৰতিষ্ঠাৰ কাৰণে লাগিছে । উপযুক্ত পৰিমানৰ শিক্ষক নিয়োগ কৰা সেই শিক্ষকক দৰমহা দিয়া, চেয়াৰ বেঞ্চ আদি যোগান দিয়া আৰু তাৰ উপৰিও পাচশ টকা ৰিজাৰ্ভ ফাণ্ডত জমা ৰখাটো গাৱঁলীয়া লোকৰ কাৰণে কিমান কষ্টকৰ তাক ভুক্তভোগীয়েহে জানে । চৰকাৰী স্বীকৃতি পোৱাৰ পিচতহে অলপ অলপ পইচা আহিব । মই নিজে হাইস্কুল পাতিব লৈছিলো গাওঁ অঞ্চলত । চৰকাৰী চাকৰি নকৰি গাওঁ অঞ্চলত হাইস্কুল পাতিবলৈ যাওঁতে তেতিয়া হাইস্কুলৰ কাৰণে ৰিজাৰ্ভ ফাণ্ড আছিল পাচশ টকা। কিন্তু সেই টকা জোগাৰ কৰিবলৈ গাৱঁৰ মানুহে কিমান যে কষ্ট কৰিব লাগিছিল। এতিয়া এম-ই স্কুলৰ কাৰণেই পাচশ টকা ৰিজাৰ্ভ ফাণ্ডৰ প্ৰয়োজন । হাই-স্কুলৰ কাৰণে দুহাজাৰ আৰু কলেজৰ কাৰণে পঞ্চাশ হাজাৰ টকা । কলেজ প্ৰতিষ্ঠা কৰাৰ কাৰণে পঞ্চাচ হাজাৰ টকা ৰিজাৰ্ভ ফাণ্ডত জমা ৰাখিব লাগিব এইটো প্ৰকৃততে শিক্ষা বিৰোধী কথা । অথচ কোনেও বাধা দিব পৰা নাই। গাৱেঁ-ভূঞে এতিয়াও হাইস্কুল কলেজ গঢ়িয়েই আছে। স্কুলৰ কাৰণে যি জমা টকা পাচ হাজাৰ দিয়া হব সেইটো স্কুলৰ কাৰণে ব্যৱহাৰ কৰিব নোৱাৰে। আচলতে এইটো অপ্ৰয়োজনীয় কথা । সাম্ৰাজ্যবাদী শিক্ষাবিৰোধী নীতিৰ ঐতিহ্য বহন কৰা এক পদ্ধতি মাথোন । এই পদ্ধতি চৰকাৰে উঠাই দিব লাগে । এই পদ্ধতি উঠাই লোৱাৰ কাৰণে মই এই প্ৰস্তাৱ এই সদনত উত্থাপন কৰিছো । আমি আশা কৰিছো যে চৰকাৰে চলিত বছৰৰ পৰা সকলো ফালে নিৰ্দ্দেশ দি স্কুলৰ স্বীকৃতি হিচাবে জমা ৰাখিব লগীয়া এই পুজিৰ ব্যৱস্থা উঠাই লব । এইখিনি কথা কৈ মোৰ প্ৰস্তাৱটো দাঙি ধৰিলো ।

শ্ৰীপূৰ্ণ বড়ো – মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটোৰ সন্দৰ্ভত মই দুষাৰ কৰ বিচাৰিছো । স্কুল আৰু কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ৰাইজে কিমান কষ্ট আৰু ত্যাগ কৰিব লগীয়া হয় সেইটো আমি সকলোৱে জানো । স্কুল বা কলেজ খন যেতিয়ালৈকে এড-হক পৰ্য্যায়ত চলি থাকে তেতিয়ালৈকে খুব সামান্য গ্ৰাণ্ট বিভাগৰ পৰা পোৱা হয় । কিন্তু সেই স্কুল বা কলেজ খনৰ কাৰণে

ৰখা শিক্ষক সকলক যি দৰমহা দিয়াৰ প্ৰয়োজন হয় তাৰ বাবে কেৱল দান বৰঙণিৰ ওপৰত নিৰ্ভৰ কৰিব লাগে । তেনে অৱস্থাত আকৌ সেই স্কুল বা কলেজৰ কাৰণে ৰিজাৰ্ভ ফাণ্ডৰ ব্যৱস্থা কৰিলে সেইটো ভীষণ অসুবিধাৰ সৃষ্টি কৰে । কাজেই এটা অঞ্চলৰ দুখীয়া ৰাইজে স্কুল বা কলেজৰ য'ত প্ৰয়োজন সেই অঞ্চলৰ ৰাইজে শিক্ষক-শিক্ষয়িত্ৰীৰ দা দৰমহা স্কুল কলেজৰ চকী বেঞ্চৰ উপৰিও ৰিজাৰ্ভ ফাণ্ডৰ ব্যৱস্থাও কৰিবলগীয়া হয় । ইয়াৰ দ্বাৰা ৰাইজক নিৰুৎসাহিত কৰা হয় । ইমান টকা ৰিজাৰ্ভ ফাণ্ডে দিয়াৰ পিচতহে বিভাগে অন্যান্য সাহায্য আদি স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিব । আমি সেই কাৰণে এইটো শিক্ষা সংকোচন নীতি বুলি কব বিচাৰিছে । বহুত ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল পাচ কৰি কলেজত চীটৰ অভাৱত পঢ়িব নোৱাৰে । কলেজত যদি সেই পৰিমাণে চীট দিয়াৰ ব্যৱস্থা কৰা নহয় তেতিয়াহলে শিক্ষাৰ সংকোচন হব ই নিতান্ত দেখদেখ কথা । গতিকেই কলেজ খোলাৰ প্ৰয়োজন হয় । তেনে অৱস্থাত কলেজৰ কাৰণে পঞ্চাচ হাজাৰ টকা ৰিজাৰ্ভ ফাণ্ডত জমা ৰাখিব-লগীয়া হোৱাৰ দ্বাৰা ৰাইজক নিৰুৎসাহিত কৰাহে কথা । এখন এম-ই স্কুল আৰম্ভ কৰিবলৈ হলেও সেই অঞ্চলৰ ৰাইজে পাৰ্মিশ্বন পাবলৈ হলে ৰিজাৰ্ভ ফাণ্ডৰ উপৰিও ছাত্ৰ-ছাত্ৰী, স্কুল ঘৰ, তাৰ উপৰিও স্কুল ঘৰৰ মাটিৰ ট্ৰেচ মেপ ইত্যাদি দাখিল কৰিব লাগে । শিক্ষক-শিক্ষয়িত্ৰীৰ দা-দৰমহাটো দিবই লাগিব । সেই সকলো বিলাক ৰাইজৰ দান বৰঙণিৰ দ্বাৰাই পুৰাব লাগিব । সেই কাৰণে এই এম-ই বা হাইস্কুল খোলাৰ ক্ষেত্ৰত যিটো ৰিজাৰ্ভ ফাণ্ডৰ ব্যৱস্থা আছে সেইটো উঠাই দিব লাগে । ইয়াৰ পিচতো পৰিদৰ্শন দিয়াৰ সময়ত স্কুলৰ ৰিজাৰ্ভ ফাণ্ড দেখুৱাব লাগিব । সপ্তম মানৰ পাৰ্মিশ্বন পোৱাৰ কাৰণে ইন্সপেক্টৰক নি দেখুৱাব লাগিব, অষ্টম মানৰ পাৰ্মিশ্বনৰ কাৰণে আকৌ পৰিদৰ্শন কৰাব লাগিব । নৱম মানৰ কাৰণে পাৰ্মিশ্বন লবলৈ আকৌ পৰিদৰ্শন কৰিবলৈ পৰিদৰ্শকক মাতি নিব লাগিব । প্ৰতি বাৰ ইন্সপেক্শ্বনৰ সময়ত টকা জমা থকাটো দেখুৱাব লাগিব । ফলত প্ৰতি বাৰেই মেনেজিং কমিটিৰ লোকসকলে ধাৰ আদি কৰি হলেও ৰিজাৰ্ভ ফাণ্ডৰ জমাটো দেখুৱাব লাগিব । কাৰোবাৰ পৰা ধাৰ আদি কৰি হলেও সেই টকা দেখুৱাব লাগিব । আকৌ কলেজৰ ক্ষেত্ৰত পঞ্চাশ হাজাৰ দেখুৱাব লাগিব । ইয়াৰ দ্বাৰা সেই শিক্ষানুষ্ঠানৰ কি লাভ হব পাৰে আমি বুজি নাপাও ।আমাৰ দেশৰ জনগনক শিক্ষিত কৰাটো

ৰাজনৈতিক স্বাধীনতা পোৱাৰ পিচত প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য । কিন্তু জনসাধাৰণক শিক্ষাৰ পৰা বঞ্চিত কৰি আগৰো পুজিবাদী ষড়যন্ত্ৰ আছে কাৰণ জনসাধাৰণ নিৰক্ষৰ হৈ থাকিলেহে কল-কাৰখানাৰ প্ৰয়োজন হোৱা গধুৰ সংক্ৰান্ত পোৱা যায় । এই ষড়যন্ত্ৰ প্ৰতিহত কৰি সকলোৱে শিক্ষা-দীক্ষা পোৱাৰ ব্যৱস্থা খোলা ৰাখিব লাগিব । বাইজে স্কুল কলেজ খুলিবলৈ ব্যৱস্থা কৰে আৰু সেই ৰাইজৰ ওপৰতে বিজাৰ্ভ ফাণ্ডৰ বোজা জাপি দিয়াটো ঠিক নহয় । ইয়াৰ দ্বাৰা শিক্ষাৰ প্ৰসাৰ নহৈ শিক্ষা সংকোচনহে হব । গতিকে মই এইটো উঠাই লবলৈ কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, কমৰেদ হেমেন দাসে যিটো প্ৰস্তাৱ সদনত দাঙি ধৰিছে সেই প্ৰস্তাৱটো সমৰ্থন কৰি মই দুষাৰমান কব বিচাৰিছো । এতিয়া আমাৰ দেশ স্বাধীন হৈছে, আমাৰ নিয়ম নীতিৰ কথা আছে । আজি খোৱা পানী খেতি পথাৰৰ উন্নয়ন শিক্ষা চিকিৎসা এইবিলাক ব্যৱস্থা সমাজক দিয়া আমাৰ সংবিধান দিয়া আছে । যদি খোৱা পানীৰ বেলিকা আমানত ধন নালাগে খেতি পথাৰৰ উন্নয়নত আমানত ধন নালাগে তেনেহলে কলেজ হাইস্কুল এম-ই স্কুল খোলাৰ ক্ষেত্ৰতো আমানত ধন কিয় লাগে ? এই আমানত ধন উঠাই দিয়াৰ ব্যৱস্থা কৰিব লাগে । অৱশ্যে এই বিলাক এটা ধং । কিছু বছৰ আগতে আমাৰ গাওঁৰ ডেকা বিলাকৰ এটা ধং হৈছিল লাইব্ৰেৰী কৰা, এতিয়া অৱশ্যে লাইব্ৰেৰী কৰা, ধংটো কমিছে । এতিয়া স্কুল খোলা ধং হৈছে, ২-১ মাইল দূৰে দূৰে নিবনুৱা ডেকা বিলাকে ধঙত স্কুল আৰম্ভ কৰিছে অৱশ্যে কিছুমানে জেদত ও এই স্কুল বিলাক আৰম্ভ কৰিছে । গতিকে এই বিষয়টো চৰকাৰে চিন্তা কৰি চাব লাগে আৰু ইয়াক আইনত পৰিণত কৰিব লাগে । আমাৰ আজিৰ মুখ্যমন্ত্ৰী যেতিয়া শিক্ষামন্ত্ৰী আছিল আৰু শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ যেতিয়া শিক্ষামন্ত্ৰী আছিল তেতিয়া তেনে এটা প্ৰস্তাৱ হৈছিল যে স্কুল কলেজ বিলাক নকৈ খুলিব নালাগে কিন্তু কোনো আইন তাৰ কাৰণে কৰা নহল । এতিয়া এই স্কুল কলেজ খোলাৰ কাৰণে আমি বিধায়ক সকলেও বাধ্যত পৰি পাৰ্মিশ্বন ৰিকগনিচনৰ কাৰণে দাবী কৰিবলগীয়া হৈছে । এটা নিয়ম আছিল যে ৫ মাইলৰ অন্তৰে অন্তৰেহে স্কুল হব সেইটো এতিয়া সংশোধন কৰাৰ প্ৰয়োজন হৈ পৰিছে । আজি শিক্ষাৰ মানদণ্ড নোহোৱা হৈছে । যধে-মধে নিবনুৱা লৰাই চাকৰি নাপায় স্কুল খুলিবলৈ লৈছে । ইয়াৰ

কাৰণে শিক্ষা বিভাগে আইন প্ৰনয়ন কৰক । এইযে আমনত ধন থাকিব লাগে ইয়াৰ কাৰণে শিক্ষাৰ কিছু বাধাগ্ৰস্থ হৈছে । এই আমানত ধন উঠাই দিয়ক আৰু দৰ্কাৰ হলে চৰকাৰে নিজাববীয়াকৈ বিল পাচ কৰি শিক্ষাৰ এটা নীতি নিয়ম কৰক ।

এইখিনিকে কৈ মোৰ বৰ্ত্তৃতাৰ সামৰণি মাৰিলো ।

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষামন্ত্ৰী) – মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই যি বেচৰকাৰী প্ৰস্তাৱ সদনত দাঙি ধৰিছে সেই বিষয়ে মই কব বিচাৰিছো । আমাৰ অসমত এটা নিয়ম আছে শিক্ষানুষ্ঠান গঢ়ি তুলিবৰ কাৰণে প্ৰথমে ৰাইজেই আগবাঢ়ি আছে আৰু তাৰ পাচতহে চৰকাৰে তেওঁলোকক সহায় কৰে । এই শিক্ষানুষ্ঠান গঢ়ি তুলিবৰ কাৰণে কিছুমান চৰ্ত্তাৱলী দিয়া হৈছে সেই চৰ্ত্তাৱলীৰ এটা হৈছে সেই স্কুলত সংৰক্ষিত পুজি থাকিব লাগিব অৰ্থাত তাক ৰিজাৰ্ভ ফাণ্ড বুলি কোৱা হয় । ইয়াৰ মূল উদ্দেশ্য হৈছে সেই স্কুলখনৰ নিজৰ এটা পুজি ৰখা বা তেওঁলোকৰ স্বাধীনতা । এখন স্কুল যদি ৰাইজে গঢ়ি তোলে সেই স্কুলখন যাতে অৰ্থৰ অভাৱত কেইদিনমান পাছত নাইকীয়া নহয় তাৰ ব্যৱস্থাৰ কাৰণে এটা ৰিজাৰ্ভ ফাণ্ড লাগে । কাৰণ স্কুলখন হোৱাৰ পাছত তাত যি সকল ছাত্ৰ ছাত্ৰীয়ে পঢ়িব যাব বা যি সকল অভিভাৱকে তাত লৰা-ছোৱালী পঢ়িব দিব অৰ্থৰ অভাৱত যাতে তেওঁলোক অসুবিধাত নপৰে তাৰ কাৰণে কৰা হৈছে । নহলে অসময়ত তেওঁলোকৰ ভবিষ্যত অন্ধকাৰ হব । আমাৰ মাননীয় সদস্য শ্ৰীমথুৰা ডেকাই কৈছে আৰু ময়ো কেবাটাও উদ্দেশ্যত সদনত ব্যস্ত কৰিছো মাননীয় সদস্য সকলেও কৈছে যে কিছুমান শিক্ষানুষ্ঠান হেফাজাদিলী কৰা হৈছে । এই কথাটো আমাৰ প্লেনিং কমিচন আৰু বিশ্ববিদ্যালৰ অনুদান আয়োগেওঁ কৈছে । এনেকৈ শিক্ষানুষ্ঠানবিলাক গঢ়ি উঠাৰ বাবে শিক্ষাৰ মানদণ্ড কমি যাব । আমি দেখিবলৈ পাইছো বহুতো স্কুল কলেজত যোগ্যতা সম্পন্ন শিক্ষকৰ অভাৱ হৈছে । বছৰে বছৰে লৰা ছোৱালীয়ে বিশ্ববিদ্যালয় বা হাইস্কুল পাচ কৰি আহি শিক্ষকতা চাকৰি বিছাৰে । আমি আমাৰ অভিজ্ঞতা মাননীয় সদস্য সকলেও নিজৰ অভিজ্ঞতাৰ আৰু অধ্যক্ষ মহোদয় আপুনি নিজেও এই বিষয়ৰ অভিজ্ঞতা পাইছে । গতিকে শিক্ষাৰ যিটো নীতি সেইটো কোৱালিটি অৰিয়েণ্টেড হব লাগে এমপ্লয়মেণ্ট অৰিয়েণ্টেড হব নালাগে । আমি দেখিছো

বহুতো শিক্ষানুষ্ঠান গঢ়ি উঠিছে নিবনুৱা যুৱকৰ নিযুক্তিৰ কাৰণে সেই কাৰণে নিয়োগৰ কাৰণে শিক্ষানুষ্ঠান খোলা কথাটো বিবেচনা কৰিলে নহব যাব কাৰণে শিক্ষানুষ্ঠান বিলাকত আজি শিক্ষাৰ মানদণ্ড কমি গৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগে সেই কাৰণে শিক্ষাৰ অৰ্হতা সম্পৰ্কে মাককাঠি দাঙি ধৰিছে যাতে কম অৰ্হতা সম্পন্ন শিক্ষক লব নোৱাৰে। সেই কাৰণে এই ৰিজাৰ্ভ ফাণ্ডৰ ব্যৱস্থা কৰা হৈছে যাতে যধে-মধে কলেজ হাইস্কুল গঢ়ি নুঠে। যিখন দেশত আজিও শতকৰা ২৮ ভাগহে সাক্ষৰ সেই কথাটো চিন্তা কৰিবলগীয়া। সেয়ে আমাৰ প্ৰিয় প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে এই নিৰক্ষৰতা দুৰীকৰণৰ কাৰণে কুৰীদফীয়া আচনি গ্ৰহণ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এজন মাননীয় সদস্যই কৈ গৈছে যে আমাৰ ইয়াত ইলিটাৰেটৰ সংখ্যা বেচি। আমিও বুজো যে আমাৰ ইয়াৰ নিৰক্ষৰতাৰ সংখ্যা বেচি। ইয়াৰ কাৰণেই শ্ৰীমতী ইন্দিৰা গান্ধীয়ে কুৰীদফীয়া আচনি প্ৰবৰ্ত্তন কৰিছে। আৰু এই আচনিৰ দ্বাৰাই ১৯৯০ চনৰ ভিতৰত দেশৰ সকলো নাগৰিকক স্বাক্ষৰিত কৰি তুলিবলৈ যত্ন কৰা হৈছে। ইয়াৰ কাৰণেই প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাত বেচি পৰিমাণে গুৰুত্বৰূপ কৰা হৈছে। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগেও বেচি গুৰুত্ব-ৰূপ কৰিছে। অসমত বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিবৰ কাৰণে আমি গুৰুত্ব দিছো।

অধ্যক্ষ মহোদয়, অসমত থকা শিক্ষানুষ্ঠান বিলাকৰ সংখ্যা মই ডাঙি ধৰিব খুজিছো। অসমত প্ৰাথমিক স্কুলৰ সংখ্যা হৈছে ২৫৮২০ খন, ৪২২৭ খন মাধ্যমিক স্কুল, ৩৬৪৫ খন হাইস্কুল, ১৭৫খন হায়াৰচেকেণ্ডাৰী স্কুল, ১৫৯খন কলেজ আছে। সেই কাৰণেই আমি প্ৰাথমিক শিক্ষাৰ ওপৰত গুৰুত্ব দিছো। অনাঅনুস্থানিক শিক্ষা আচনিৰ জৰিয়তে গাওঁ অঞ্চলৰ দুখীয়া লৰা-ছোৱালী বিলাকক স্বাক্ষৰিত কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। যি সকলৰ বয়স ১৫ বছৰৰ পৰা ৩৫ বছৰৰ ভিতৰত তেখেত সকলকো প্ৰাপ্ত বয়স্ক শিক্ষা আচনিৰ যোগেদি শিক্ষিত কৰিবলৈ চেষ্টা কৰা হৈছে। আমি ১৯৯০ চনৰ ভিতৰতে প্ৰাথমিক শিক্ষা বাধ্যতামুলক কৰিব পাৰিম বুলি ভাবিছো। মই মাননীয় সদস্য সকলক জনাব খুজিছো যে যিটো ৰিজাৰ্ভ ফাণ্ডৰ ব্যৱস্থা আছে সেইটো কেৱল শিক্ষানুষ্ঠানৰ আৰ্থিক উন্নতিৰ কাৰণেহে। এই টকা খিনি ফিক্স ডিপজিত

বা নেচনেল চেভিংচত ৰখা হয় । ইয়াৰ পৰা শিক্ষানুষ্ঠানৰ আয় হয়। আৰু কেতিয়াবা যদি কিবা কাৰণত শিক্ষকক বেতন দিব পৰা নাযায় । তেতেয়াহলে এই ফাণ্ডে সহায় কৰে । আৰু যাতে জধে মধে যতে ততে স্কুল গঢ়ি উঠিব নোৱাৰে তাৰ প্ৰতি দৃষ্টি ৰখা হৈছে ।

অধ্যক্ষ মহোদয়, মই আগতেই এটা কথা কৈছিলো যে আমি অসমত কেনেকুৱা শিক্ষা হব লাগে সেই সম্পৰ্কত পৰামৰ্শ দিবৰ কাৰণে এখন শিক্ষা আয়োগ গঠন কৰি দিছো । এই আয়োগ সকলো বিলাক কথা চাই চিতি আমাক পৰামৰ্শ দিব আৰু আমি সেই পৰামৰ্শৰ জৰিয়তেই কাম কৰিম বুলি ভাবিছো । মই এইখিনি কথা কৈয়ে মাননীয় সদস্যক প্ৰস্তাৱটো উঠাই লবলৈ অনুবোধ জনালো ।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী মহোদয়ে যিটো যুক্তি প্ৰদৰ্শন কৰিলে সেই যুক্তিৰ ভিত্তিত এই প্ৰস্তাৱটো উঠাই লোৱাটো সম্ভৱপৰ নহয় । তেখেতে যিটো যুক্তি দিছে যে স্কুলৰ বেয়া দিনত সহায়ক হব বুলি তেনেকুৱা এটা উদাহৰণ দিব পাৰেনে যে অমুক স্কুলৰ বেয়া দিনৰ এই ৰিজাৰ্ভ ফাণ্ডৰ পৰা টকা নি শিক্ষকক বেতন দিয়া হৈছে ? স্কুল হোৱাৰ পিচত চৰকাৰে এডহক দিব, তাৰ কেইবছৰ মানৰ পিচত ঘাটি মজুৰি দিব । মঞ্জুৰি দিলেই তাৰ দায়িত্ব চৰকাৰৰ হাতলৈ আহিলেই । এবাৰ যি ৰিজাৰ্ভ ফাণ্ড চৰকাৰৰ হাতলৈ আহিল আহিলেই সি আৰু কেতিয়াও ঘূৰি নাযায়। মাত্ৰ স্কুলখনে অনুমতি পোৱাৰ কাৰণে টকা খিনি জমা ৰাখিব লাগে । ইয়াৰ পৰাযে স্কুলৰ কিবা লাভ হব সেইটো নহয়। স্কুল হোৱাৰ পিচত চৰকাৰেই ঘাটি মঞ্জুৰী দি, এধক দি, মঞ্জুৰী দি চলাই থাকিব। মন্ত্ৰী মহোদয়ে যিটো যুক্তি প্ৰদৰ্শন কৰিছে সেই যুক্তিৰ লগত মই এক মত হব নোৱাৰে।

আন এটা কথা হৈছে যে জধেমধে স্কুল স্থাপন কৰা । শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰ ধৃতৰাষ্ট্ৰ নহলে এনে কেতিয়াও হব নোৱাৰে । কত কত স্কুল লাগে সেইটো চাই চিতি পাতিব লাগে । সেইটো চৰকাৰে নকৰাৰ কাৰণেই ৰাইজে কৰিবলগীয়া হৈছে । আজি বহুত ক্ষেত্ৰত দেখা গৈছে যে শিক্ষাৰ কাৰণে স্কুল পতা হোৱা নাই । কেৱল চাকৰিৰ কাৰণেহে স্কুল পতা হৈছে । এজন যুৱকে যাৰ মাটি নাই সি স্কুলৰ কাৰণে মাটি দান দিয়ে । তেওঁ জানে যে মাটি দিলে ৫ বছৰহে কষ্ট হব বাকী ২৫ বছৰ লাভ হব । আৰু এটা কথা দেখা গৈছে যে শিক্ষাৰ মানদণ্ড । এই কথাটো ভালকৈ চাব লাগে।

ইয়াৰ লগতে আছে স্কুলৰ দূৰত্ব । কোন খন স্কুলৰ পৰা কিমান দূৰত্ব সেইটো কথাও চাব লাগে । একেখন গাৱঁতে দুখন হাইস্কুল হোৱা দেখা গৈছে। এদলে গাওঁখনৰ এটা মূৰত এখন স্কুল পাতিলে আনদলে গাওঁখনৰ সিটো মূৰত এখন স্কুল পাতিলে । তাৰ পিচত ইন্সপেক্টৰে লিখি দিলে ২ কিঃ মিঃ দূৰ বুলি । আচলতে সিমান দূৰ নহবও পাৰে । আমি কলেতো সেইটো কথা মানি নলয় । শিক্ষাৰ কাৰণে স্কুল হব লাগে । চাকৰিৰ কাৰণে স্কুল হব নালাগে।

শিক্ষাৰ মানদণ্ড আজি এনেকুৱা হৈছে যে আজি স্কুলৰ কাৰণে এটা নিযুক্তি নীতি গ্ৰহণ কৰিব লগীয়া হৈছে । বহুত বছৰ বি, এ, ফেইল কৰি হাইস্কুলৰ হেড মাষ্টৰ হৈছে । যি দৰ্খাস্ত এখন লিখিব নোৱাৰে । এটা বাক্য শুদ্ধকৈ লিখিব নোৱাৰা হায়াৰ চেকেণ্ডাৰীৰ প্ৰিন্সিপাল পাইছো । এটা বাক্য শুদ্ধকৈ লিখিব নোৱাৰা হাইস্কুলৰ হেড মাষ্টৰ শই শই আছে । এইটো নীতি হব লাগে যে শিক্ষক কেনেকুৱা হব লাগে । শিক্ষকৰ যোগ্যতা বান্ধি দিব লাগে। এই বিলাক কথা বিচাৰ কৰি নাচাই কেৱল ৫ হাজাৰ, দুই হাজাৰ টকা লৈয়েই শিক্ষানুষ্ঠান কৰিব নোৱাৰে । সেই কাৰণেই মই প্ৰস্তাৱ কৰিছে যে এই ৰিজাৰ্ভ ফাণ্ডৰ কথাটো উঠাই লব লাগে ।

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে আমাৰ শিক্ষা পদ্ধতিটোত কিছুমান কেৰোণ আছে আৰু সেই কাৰণেই এই কেৰোণবোৰ নাইকিয়া কৰিবৰ কাৰণে আমি এটা শিক্ষা আয়োগ গঠন কৰিব খুজিছো । এই আয়োগটো কেইবাজনো শিক্ষাবিদেৰে গঠিত হব আৰু তেওঁলোকে গোটেই বস্তুটো পুংখানুপুংখ ভাবে চাই আমাক পৰামৰ্শ দিব । তেওঁলোকৰ পৰামৰ্শ মতেই আমি কাম কৰি যাম । এই আয়োগৰ ফলাফল কি হয় তালৈ আমাৰ সদস্যসকলে বাট চাব লাগিব আৰু সেইকাৰণেই মই মাননীয় সদস্য গৰাকীক পুনৰ অনুৰোধ কৰিছো যাতে তেখেতৰ প্ৰস্তাৱটো উঠাই লয় ।

Mr. Speaker:—Now, I put the resolution before the House that in view of the inadequate facilities of higher education and in view of higher percentage of illeteracy and with a view to, promote education in the State, the

House do now recommend to the State Govt. to withdraw immediately the conditions of creating a reserved fund for starting new schools and colleges in Assam.

(The resolution is lost)

GOVERNMENT RESOLUTION

Shri Hiteswar Saikia (chief Minister): Sir, I beg to move "whereas by a resolution passed by this Assembly in pursuance of clause (I) of Art. 252 of the constitution on the 18th March, 1984, estate duty in respect of agricultural land is now regulated in the State of Assam by the Estate Duty Act, 1953 (34 of 1953), as passed by Parliament. AND WHEREAS it appears to this Assembly to the desirable that the Estate Duty Act, 1953 shall cease to apply to the levy of estate duty in respect of agricultural land situate in the State, and for this purpose, necessary amendments should be mede in the Act.

AND WHERAS it appears to this Assembly that the Act aforsaid should be further amended to provide for the following matters, namely— 1) to omit the provisions of the said Act relating to aggregation of agricultural land with other property for the purpose of determining the rate of estate duty: (ii) to amend Sub-Section (3) of section 85 of the said Act relating to the laying of rules before both Houses of Parliament so as to bring it in conformity with the model rule laying formula as approved by the Committees on Subordinate Legislation of both Houses of Parliament.

NOW THEREFORE, this Assembly hereby resolves in pursuance of Art. 252 of the Constitution that the

Estate Duty Act, 1953 (34 of 1953) be amended by Parliament to provide for the aforesaid matters.

Shri Binoy Kumar Basumatary—Sir, I think it is customery to explain the matters relating to the resolutions. It will be irregular.

Mr. Speaker—It is there along with it. But anyway Chief Minister will explain the matter.

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)—মাননীয় অধ্যক্ষ ডাঙৰীয়া, কাৰ্য্য-সূচীৰ লগতে এই প্রস্তাৱটোৰ ব্যাখ্যা দিয়া আছে । তথাপি মাননীয় সদস্য গৰাকীয়ে জানিব বিছাৰিছে যেতিয়া মই কওঁ যে—১৯৫৩ চনত পাৰ্লেমেণ্টে ষ্টেট ডিউটি এক্ট পাচ কৰিছিল । এই আইনৰ জৰিয়তে ৰাজ্যত অৱস্থিত কৃষি মাটিৰ ক্ষেত্ৰত সম্পত্তি শুল্ক প্রয়োগ কৰাটো বন্ধ কৰা উচিত আৰু সম্পত্তিৰ সৈতে কৃষি মাটি এক কৰা সম্পৰ্কীয় ব্যৱস্থাবোৰ বাদ দিয়া উচিত । এই আইনখন যিহেতু সংসদৰ দুয়োখন সদনে আগতে পাচ কৰি কেন্দ্ৰীয় চৰকাৰক এই দায়িত্ব দিছিল আৰু সেইমতে এই দায়িত্ব এতিয়া অসম চৰকাৰৰ ওপৰত পৰিছে । সেই-কাৰণেই আজিৰ এই প্রস্তাৱটো অনুমোদন জনাবলৈ সদনত উত্থাপন কৰা হৈছে ।

Mr. Speaker—Now; I put the resolutions before the House, "Where as by a resolution passed by this Assembly in pursuance of Clause (f) of Art. 252 of the Constitution on the 18th March, 1984, estate duty in respect of Agricultural land is now regulated in the State of Assam by the Estate Duty Act, 1953 (34 of 1953), as passed by the Parliament, AND Whereas it appears to this Assembly to be desirable that the Estate Duty Act, 1953 shall cease to apply to the levy or estate duty in respect agricultural land situate in the state and for this purpose, necessary amendments should be made in the Act. (i) to omit the provisions of the said Act. relating to the appregation of agricultural land with other property for the purpose of

determining the rate of estate duty. (ii) to amend Sub-Section (3) of Section 85 of the said Act relating to the laying of rules before both House of Parliament so as to bring it in conformity with the model rule laying formula as approved by the Committee on Svbordinate Legislation of both Houses of Parliament. Now, teerefore, tnis Assembly hereby resolves, in pursuance of Art. 252 of Constitution that the Estate. Duty Act. 1953 (34 of 1953) be amened by Parliament to provide for the aforesaid matters.

(The resolution is adopoted)

STATEMENT BY MINISTER)

Mr. Speaker:—Non Shri Dina Nath Rajkhowa Minister of state, will make a statment.

শ্ৰীদীননাথ ৰাজখোৱা (মন্ত্ৰী)— যোৱা ১২।৩।৮৪ তাৰিখে শ্ৰী মহম্মদ আলীয়ে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি "গোৱালপাৰা মহকুমাত বনাঞ্চল নিঃশেষ হৈছে" এই বিষয়টো সদনত আলোচনা কৰিবৰ কাৰণে উথাপন কৰে। উত্তৰ দানৰ সময়ত মাননীয় বিধায়ক শ্ৰীতমৰুদ্দিন মহোদয়ে অভিযোগ কৰি কৈছিল যে ধুবুৰী মহকুমাত ২০ হাজাৰতকৈয়ো অধিক ট্ৰাকলোদ খৰিৰ অনুজ্ঞা পত্ৰ বনবিভাগে দিছে।

এই সন্দৰ্ভত স্থানীয়ভাৱে অনুসন্ধান কৰি জানিব পৰা গ'ল যে ওপৰোক্ত অভিযোগ সত্য নহয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে ধুবুৰী মহকুমাত ১।৩।৮৩ তাৰিখৰ পৰা ২৭।৩।৮৪ তাৰিখলৈকে সৰ্ব্বমুঠ ৩১,৪৬৩ ট্ৰাকখৰিৰ বাবে আবেদন পোৱা হৈছিল আৰু তাৰ বিপৰীতে মাত্ৰ ৩,৩৮৯ ট্ৰাকখৰিৰ পাৰ্মিটহে দিয়া হৈছে। কাঠৰ কুঁপবোৰ বিভাগীয় ভাবে পৰিচালনা (Departmental operation) কৰাৰ পিচত যিবোৰ অলাগতিয়াল ঠালঠেঙুলি আৰু আগলি বিলাকৰ পৰা চৰকাৰী মূল্যলৈ অনুজ্ঞা পত্ৰৰ যোগে বিক্ৰী কৰা হয়। ইয়াৰ ফলত চৰকাৰৰ ৰাজহ সংগ্ৰহ হয়। এই খৰিবোৰ বিক্ৰী নকৰিলেও এনেয়ে নষ্ট হয়। প্ৰচলিত নিয়ম অনুযায়ী একোজনলোকক মজুতৰ ওপৰত নিৰ্ভৰ কৰি প্ৰয়োজন অনুসাৰে দৈনিক ৩ ট্ৰাককৈ খৰি দিয়াৰ নিয়ম আছে। এই অনুজ্ঞাপত্ৰ বোৰ স্থানীয় বন সংমণ্ডল বিষয়াই আৱশ্যকতা অনুযায়ী প্ৰদান কৰে। মন্ত্ৰীয়ে নিজে কোনো খৰিৰ অনুজ্ঞাপত্ৰ নিদিয়ে। মন্ত্ৰীক দৰ্খাস্ত দিলে যথোচিত ব্যৱস্থাৰ বাবে সংশ্লিষ্টবন বিষয়ালৈ পঠাই দিয়া হয়।

House that I received a letter from the Hon'ble Member Shri Tazomul Ali Laskar on 30th March, 1984, which reads as follows :—

To

The Hon'ble Speaker, A.L.A.,
Dispur.

Sir.

I have the honour to state that on 21st March, 1984, I made an allegation against Shri D. N. Rajkhowa, Minister of State, Forests, which I came to know afterwards not to be correct. So, I request you to cancel the statement and drop it from the proceedings.

Yours faithfully,
Sd/- Tazomul Ali Laskar,
M. L. A.

This is for information of the House.

The House now stands adjourned till 10 a, m. tomorrow the 4th April, 1984.

ADJOURNMENT

The House then rou at 11-32 A. M. and stood adjourned till 10 A. M. on wednesday, the 4th April, 1984

Dated, Dispur.
The 3rd April, 1984

P. D. Barua
Secretary
Assam Legislative Assembly.